# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ মুঠ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিয়লি চাৰে তিনি বজা পৰ্যন্ত ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে।

তিনিচুকীয়া জিলাত ৪৮ দশমিক ১-৪ শতাংশ, ডিব্ৰুগড়ত ৪৫ শতাংশ, চৰাইদেউত ৫০ দশমিক ৯-৪ শতাংশ, শিৱসাগৰত ৫৭ দশমিক ৭-২ শতাংশ, মাজুলীত ৬১ দশমিক ৬-৭ শতাংশ, যোৰহাটত ৫৭ শতাংশ, গোলাঘাটত ৫২ দশমিক ৫-১ শতাংশ, ধেমাজিত ৬২ দশমিক ১ শতাংশ, লখিমপুৰত ৬৬ দশমিক ৫ শতাংশ, শোণিতপুৰত ৫২ দশমিক ৫ শতাংশ আৰু বিশ্বনাথত ৫৬ দশমিক ৮-৯ শতাংশ ভোটদান সম্পন্ন হৈছে। আনহাতে বৰাক উপত্যকাৰ কাছাৰ জিলাত  ৫৮ দশমিক ৫-৫ শতাংশ, হাইলাকান্দিত ৬০ দশমিক ১-০ শতাংশ আৰু শ্ৰীভূমি জিলাত ৬০ দশমিক ১-৫ শতাংশ ভোটদান সম্পন্ন হৈছে। সামগ্ৰিকভাৱে ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত দুই-এটা স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি আহি পৰিছে। ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই দীঘলিবাৰী গাঁও পঞ্চায়তত চাৰি শতাধিক লোক ভোটদানৰ পৰা বঞ্চিত হোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে।

ooooo

অসম প্ৰকাশন পৰিষদৰ আজি ৬৭ সংখ্যক গৌৰৱোজ্জ্বল প্ৰতিষ্ঠা দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ চহকী তথা সম্ভ্ৰান্ত অনুষ্ঠানটিৰ প্ৰতিষ্ঠাৰ আঁৰত থকা বৰেণ্য লোকসকলৰ অৱদানক স্মৰণ কৰে। মুখ্যমন্ত্ৰীয়ে পৰিষদৰ বিষয়া-কৰ্মচাৰী তথা পঢ়ুৱৈ সমাজলৈও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। বিভিন্ন ঘটনাক্ৰমৰ মাজেদি সাতটা দশক অতিক্ৰম কৰিবলৈ আগবঢ়া পৰিষদে অসমৰ সাহিত্য, সমাজ, সাংস্কৃতিক ঐতিহ্যক ধৰি ৰখা বহু মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে অনুবাদ সাহিত্যলৈও বৰঙণি আগবঢ়াইছে। পৰিষদে সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে গ্ৰন্থমেলাকে ধৰি বহু প্ৰকল্পৰ কাম হাতত লৈ আগবাঢ়ি যোৱাটো এক শুভ লক্ষণ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। পৰিষদৰ এই কাৰ্যৰ প্ৰতি অসম চৰকাৰে দায়বদ্ধতাৰে কাম কৰি যাব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

ooooo

ৱেভছ্ সন্মিলন ২০২৫ৰ অংশ হিচাপে আজি পুৱা মুম্বাইৰ জিঅ’ ৱাৰ্ল্ড কনভেচন কেন্দ্ৰত সংবাদ সেৱা বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠক তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অনুষ্ঠিত হৈছে।

মুম্বাইৰ জিঅ’ বিশ্ব অভিৰ্বতন কেন্দ্ৰত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ্-২০২৫ উদ্বোধন কৰে। অভিনেতা আমিৰ খানে আজি এই সন্মিলনত উপস্থিত থাকি কয়, যে ভাৰতত জনসাধাৰণৰ বিপৰীতে চলচ্চিত্ৰ গৃহৰ সংখ্যা কম। তেওঁ কয়, যে ভাৰতত কৈ আমেৰিকা যুক্তৰাষ্ট্ৰত জনসংখ্যা কম যদিও চলচ্চিত্ৰ গৃহৰ সংখ্যা যথেষ্ট বেছি।

০০০০০

চৰাইদেউ জিলাৰ বানফেৰাত বনৰীয়া কাঠফুলা ভক্ষণ কৰি একেটা পৰিয়ালৰ ৫ জন লোক অসুস্থ হৈ পৰিছে। লোক কেইজনক সংকটজনক অৱস্থাত ৰজাপুখুৰীৰ সোণাৰি জিলা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

০০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ’ব। এই অনুষ্ঠানত ভাগ ল’ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ভাৰতীয় ৰে’লৱেই দেশজুৰি ৰে’ল ষ্টেচনসমূহত স্থাপন কৰাৰ বাবে  ডিজিটেল ঘড়ী বিকশাই তোলাৰ বাবে বিশেষ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্লেটফ’ৰ্ম আৰু ষ্টেচনসমূহত একেধৰণৰ ডিজিটেল ঘড়ী স্থাপনৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতা পেছাদাৰী, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী তথা বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত তিনিটা শাখাৰ বাবে মুকলি কৰা হৈছে। প্ৰথম স্থানপ্ৰাপ্তগৰাকীক ৫ লাখ তথা তিনিওটা শাকাৰ পাঁচগৰাকীকৈ প্ৰতিযোগীলৈ ৫০ হাজাৰকৈ টকাৰ নিচুকনি পুৰস্কাৰ আগবঢ়োৱা হ’ব। চলিত মাহৰ শেষ ভাগলৈ প্ৰতিযোগীসকলে নিজৰ ঘড়ীৰ আৰ্হি প্ৰেৰণ কৰিব পাৰিব।

০০০০০

সমাপ্ত